**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-04-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::::::::::**

১। কেন্দ্ৰীয় চৰকাৰে অৰ্থনীতিবিদ অশোক কুমাৰ লাহিৰীক উপাধ্যক্ষ হিচাপে লৈ নীতি আয়োগ পুনৰ গঠন কৰিছে।

২। কেন্দ্ৰীয় ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি বেংগালুৰুত স্বয়ংচালিত হাইস্পীড বুলেট নিৰ্মাণৰ কাৰখানা উদ্বোধন কৰে।

৩। বিশ্বজুৰি আজি বিশ্ব পশু চিকিৎসা দিৱস আৰু মেলেৰিয়া দিৱস পালন কৰা হৈছে।

৪। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত দেলহী কেপিটেলছে পঞ্জাৱ কিংছক জয়ৰ বাবে ২৬৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

00000

কেন্দ্ৰীয় চৰকাৰে অৰ্থনীতিবিদ অশোক কুমাৰ লাহিৰীক উপাধ্যক্ষ হিচাপে লৈ নীতি আয়োগ পুনৰ গঠন কৰিছে। তেওঁ বৰ্তমানৰ উপাধ্যক্ষ সুমন কে বেৰিৰ স্থলাভিষিক্ত হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতৰ নীতি নিৰ্ধাৰণৰ স্থাপত্যত নীতি আয়োগে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁ লগতে এই আয়োগে সংস্কাৰ আৰু জীৱন-যাপন সাধাৰণ কৰি তুলিছে বুলিও উল্লেখ কৰে। শ্ৰীমোদীয়ে নীতি আয়োগে বিভিন্ন খণ্ডত উদ্ভাৱন আৰু দীৰ্ঘম্যাদি কৌশলগত চিন্তাৰ বাবে এক গতিশীল মঞ্চ হিচাপে কাম কৰে। নতুন দিল্লীত আজি নীতি আয়োগৰ নৱ নিযুক্ত উপাধ্যক্ষ অশোক কুমাৰ লাহিৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ৰীলাহিৰীৰ অৰ্থনীতি আৰু ৰাজহুৱা নীতিৰ চহকী অভিজ্ঞতাই ভাৰতৰ সংস্কাৰ যাত্ৰা আৰু অধিক শক্তিশালী কৰি তুলিব বুলি মন্তব্য কৰে। তেওঁ বিশ্বাস কৰে যে শ্ৰীলাহিৰীয়ে দেশত নীতি নিৰ্ধাৰণ ব্যৱস্থা শক্তিশালী ৰূপত গঢ়ি তুলিব। বৈঠকৰ অন্তত প্ৰধানমন্ত্ৰীগৰাকীয়ে নীতি আয়োগৰ পূৰ্ণকালিন সদস্য ক্ৰমে ৰাজীৱ গৌবা, অধ্যাপক কে ভি ৰাজু, অধ্যাপক গৱৰ্ধন দাস, অধ্যাপক অভয় কাৰ্ণদিংকৰ আৰু ড° এম শ্ৰীনিবাসনলৈ শুভেচ্ছা জ্ঞাপন কৰে।

00000

কেন্দ্ৰীয় ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি বেংগালুৰুৰ বি ই এম এলত স্বয়ংচালিত হাইস্পীড বুলেট ৰেল নিৰ্মাণৰ কাৰখানা উদ্বোধন কৰে। আকাশবাণী আৰু দূৰদৰ্শনৰ সৈতে হোৱা কথা বতৰাত অহা বছৰৰ প্ৰথমটো প্ৰ'ট'টাইপ প্ৰকাশ পোৱাৰ লগতে ২০২৭ চনৰ শেষৰ ফালে ৰে'ল নিৰ্মাণৰ কাম-কাজ সম্পাদন হ'ব বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে বেংগালুৰু আৰু মুম্বাইৰ মাজত অতি শীঘ্ৰে এখন চুপাৰ ফাষ্ট আৰু বন্দে ভাৰত শ্লীপাৰ ট্ৰেইন কাৰ্যকৰী হব বুলি উল্লেখ কৰে। বেংগালুৰুৰ চাবাৰবান ৰে'ল প্ৰকল্পৰ অগ্ৰগতি সন্দৰ্ভত শ্ৰীবৈষ্ণৱে ভূমি অধিগ্ৰহণৰ কাম-কাজ আগবাঢ়িছে বুলিও মন্তব্যত উল্লেখ কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী

আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

বিশ্বজুৰি আজি বিশ্ব পশু চিকিৎসা দিৱস উদযাপন কৰা হৈছে। এই দিৱসৰ জৰিয়তে জীৱ-জন্তু আৰু চৰাইৰ উপযুক্ত যত্ন লোৱাৰ গুৰুত্ব সন্দৰ্ভত ৰাজহুৱা সজাগতা সৃষ্টিৰ প্ৰয়াস কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে - **পশু চিকিৎসকঃ পশু স্বাস্থ্য আৰু খাদ্য সুৰক্ষাৰ অভিভাৱক**।

আনহাতে, আজি বিশ্বজুৰি মেলেৰিয়া দিৱস পালন কৰা হৈছে। প্ৰতিবছৰে ২৫ এপ্ৰিলত পালন কৰি অহা এই দিৱসে মেলেৰিয়া ৰোগৰ প্ৰতি সজাগতা সৃষ্টি কৰাৰ লগতে ইয়াক সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ বাবে বিশ্বব্যাপী প্ৰচেষ্টাক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। এইবাৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে – **'মেলেৰিয়া নিৰ্মূলৰ দৃঢ় সংকল্পঃ এতিয়া আমি কৰিব পাৰো, এতিয়া আমি কৰিবই লাগিব।'** দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ স্বাস্থ্য বিভাগৰ উদ্যোগত ঠায়ে ঠায়ে মেলেৰিয়া ৰোগৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ooooo

উপ-ৰাষ্ট্ৰপতি চি. পি. ৰাধাকৃষ্ণনে শিক্ষাৰ্থীসকলক সমালোচনামূলকভাৱে চিন্তা কৰিবলৈ, নৈতিকভাৱে কাম কৰিবলৈ আৰু জীৱনজোৰা শিক্ষা গ্ৰহণেৰে পৰিপুষ্ট হ'বলৈ আহ্বান জনায়। উপ-ৰাষ্ট্ৰপতি গৰাকীয়ে আজি জয়পুৰৰ ৰাজস্থান বিশ্ববিদ্যালয়ৰ ৩৫ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত ভাষণ প্ৰদান কৰি এই মন্তব্য কৰিছে। তেওঁ শিক্ষাৰ্থীসকলক জীৱনত স্থিতিস্থাপক হৈ থাকিবলৈ, বিফলতাৰ পৰা শিকিবলৈ আৰু মূল্যবোধৰ ওপৰত আধাৰিত হৈ থাকিবলৈ উৎসাহিত কৰি কয় যে সহানুভূতি অবিহনে উৎকৃষ্টতা আৰু নম্ৰতা অবিহনে কৃতিত্ব কেতিয়াও সম্পূৰ্ণ নহয়। স্নাতকসকলক সমাজলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াবলৈ আহ্বান জনাই তেওঁ সহানুভূতি, বৈচিত্ৰ্যৰ প্ৰতি সন্মান আৰু বৃহত্তৰ কল্যাণৰ প্ৰতি দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক ড্ৰাগছৰ পৰা আঁতৰি থাকিবলৈ আৰু সামাজিক মাধ্যমক দায়িত্বশীলভাৱে আৰু গঠনমূলকভাৱে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। শিক্ষাৰ প্ৰকৃত উদ্দেশ্যৰ ওপৰত আলোকপাত কৰি উপ-ৰাষ্ট্ৰপতিয়ে কয় যে আমি লাভ কৰা জ্ঞানক সমাজৰ উন্নতি, উদ্ভাৱন আৰু নৈতিক আচৰণৰ বাবে ব্যৱহাৰ কৰিব লাগিব। আত্মনিৰ্ভৰ ভাৰত আৰু বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ কথা উল্লেখ কৰি তেওঁ শিক্ষাৰ্থীসকলক কৰ্মসংস্থাপন সৃষ্টিকৰাৰ লগতে উদ্ভাৱক আৰু ৰাষ্ট্ৰ নিৰ্মানত জড়িত হ'বলৈ উৎসাহিত কৰে। শ্ৰী ৰাধাকৃষ্ণনে মহিলা সবলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ মহিলা স্নাতকসকলৰ সাফল্যত গৌৰৱ প্ৰকাশ কৰে। সমাবৰ্তন অনুষ্ঠানত ৰাজস্থানৰ ৰাজ্যপাল হৰিভাউ কিষাণৰাও বাগদে আৰু উপ মুখ্যমন্ত্ৰী প্ৰেম চান্দ বৈৰৱাও উপস্থিত আছিল।

ooooo

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। ঘাই ঘাই ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ উদ্দেশ্যে ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰচাৰ চলোৱাত ব্যস্ত হৈ পৰিছে। বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি পূব বৰ্ধমানৰ জামালপুৰত এখন নিৰ্বাচনী সভাত অংশ লৈ তেওঁৰ দল ক্ষমতালৈ আহিলে ৰাজ্যখনত উমৈহতীয়া দেৱানী বিধি আৰু সপ্তম দৰমহা আয়োগৰ পৰামৰ্শ ৰূপায়ণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। তেওঁ লগতে মহিলাৰ বাবে বিনামূলীয়া বাছ সেৱাৰো আশ্বাস দিয়ে।

দলৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙে হুগলিত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। শ্ৰী সিঙে মহিলাক তিনি হাজাৰ টকাকৈ সাহায্য প্ৰদান আৰু খালী হৈ থকা চৰকাৰী পদসমূহ পূৰণ কৰা হ'ব বুলি মন্তব্য কৰে। তৃণমূল কংগ্ৰেছৰ মা, মাটি, মানুষ শ্লোগানক সমালোচনা কৰি বিজেপি নেতাগৰাকীয়ে কয়, যে বৰ্তমান চৰকাৰৰ দিনত ইয়াৰ কোনো এটাও সুৰক্ষিত নহয়।

বিজেপিৰ জ্যেষ্ঠ নেতা জে পি নাড্ডা, নীতিন নবীন আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও আজি বৰ্ধমান আৰু উত্তৰ চৌবিবশ পৰগনা জিলাৰ বিভিন্ন স্থানত দলৰ হৈ প্ৰচাৰ চলায়।

ইপিনে তৃণমূল কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী মমতা বেনাৰ্জী আৰু অভিষেক বেনাৰ্জীয়ে আজি প্ৰচাৰ অভিযানৰ সময়ত দলৰ আইনী যুঁজৰ বাবে ৩২ লাখ লোকৰ নাম ভোটাৰ তালিকাত পুনৰ অন্তৰ্ভুক্ত হৈছে বুলি দাবী কৰে। তেওঁলোকে লগতে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ উন্নয়ন পুঁজি বন্ধ কৰি ৰখা বুলি অভিযোগ তোলে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও আজি শ্ৰীৰামপুৰত প্ৰচাৰ অভিযানত ভাগ লয়। কংগ্ৰেছ নেতাগৰাকীয়ে কয়, যে তেওঁৰ দল সংবিধান আৰু একতাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে বিজেপিয়ে ঘৃণা আৰু বিভাজনৰ ৰাজনীতিত বিশ্বাস কৰে বুলি অভিযোগ তোলে।

ooooo

কেৰলমৰ মুখ্যমন্ত্ৰী পিনাৰাই বিজয়নে ৰাজ্যখনত চলি থকা প্ৰবল গ্ৰীষ্মপ্ৰবাহৰ পৰিস্থিতিৰ বুজ লবলৈ এখন উচ্চস্তৰীয় বৈঠকত অংশ লয়। বৈঠকত বজাৰ, বাছষ্টেণ্ডকে ধৰি ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ ৰাজহুৱা স্থানসমূহত জনসাধাৰণৰ বাবে খোৱাপানী, অ' আৰ এছ, প্ৰাথমিক চিকিৎসাৰ সুবিধা মজুত ৰাখিবলৈ সিদ্ধান্ত লোৱা হৈছে। ৰাজহুৱা অনুষ্ঠানৰ লগতে সাংস্কৃতিক, ক্ৰীড়া অনুষ্ঠান আয়োজনতো কঠোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কেৰলমৰ বহুকেইখন জিলাৰ তাপমাত্ৰা ৩ ৰ পৰা ৪ ডিগ্ৰী ছেলছিয়াছলৈ বৃদ্ধি পোৱাৰ আগলি বতৰা দিছে। ৰাজ্যখনত গ্ৰীষ্মপ্ৰবাহত অসুস্থ হোৱাৰ লোকৰ সংখ্যাও বৃদ্ধি পাইছে।

ooooo

অসম ৰাইফলছৰ এগৰাকী জোৱানে মণিপুৰৰ উখৰুল জিলাৰ সশস্ত্ৰ বাহিনীত সেনা বাহিনীৰ পোচাক, বুলেট প্ৰুফ জেকেট আৰু অন্যান্য সামগ্ৰী যোগান ধৰা বুলি সামাজিক মাধ্যমত প্ৰচাৰ হৈ থকা এটা পোষ্টত চৰকাৰে প্ৰত্যাহাৰ কৰাইছে। পি আই বিৰ তথ্য পৰীক্ষণ কেন্দ্ৰই এই বাতৰিটো ভূৱা বুলি জানিবলৈ দিছে। তেওঁলোকে জনসাধাৰণক এনেধৰণৰ খবৰ বিশ্বাস কৰাৰ পূৰ্বে ইয়াৰ সত্যাসত্য নিৰূপণ কৰিবলৈ আহ্বান জনায়।

ooooo

আমেৰিকাৰ প্ৰশান্ত মহাসাগৰীয় বায়ু সেনাৰ অধিনায়ক জেনেৰেল কেভিন বি চনাইদাৰৰ সৈতে প্ৰতিৰক্ষা মুৰববী জেনেৰেল অনিল চৌহানে আজি এখন বৈঠকত মিলিত হয়। দুয়োপক্ষই ভাৰত আৰু আমেৰিকাৰ মাজত কৌশলগত অভিসৰণৰ কথা আলোচনা কৰে। বৈঠকত আঞ্চলিক নিৰাপত্তা আৰু সমগ্ৰ ভাৰত-প্ৰশান্ত মহাসাগৰীয় শান্তি আৰু স্থিতিশীলতা স্থায়ীভাৱে বজাই ৰখাৰ দিশত গুৰুত্ব আৰোপ কৰে। দুয়োপক্ষই দ্বিপাক্ষিক আৰু ত্ৰিসেৱা সংযোগৰ পৰিসৰ, জটিলতা আৰু সম্প্ৰসাৰণ কাৰ্যকৰী কৰাৰ স্পষ্ট উদ্দেশ্যসমূহো প্ৰকাশ কৰে। আধুনিক শক্তিৰ নিৰ্ণায়ক হিচাপে দুয়োপক্ষৰ বাবে এই বৈঠকে কৌশলগত দূৰদৰ্শিতাৰে অংশীদাৰিত্ব বিকাশ অব্যাহত ৰাখিব বুলি আশ্বাস প্ৰকাশ কৰে।

ooooo

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন খেলত দেলহী কেপিটেলছে পঞ্জাৱ কিংছক জয়ৰ বাবে ২৬৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দেলহী কেপিটেলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ২ টা উইকেট হেৰুৱাই ২৬৪ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত বাতৰি যুগুতোৱাৰ পৰলৈ পঞ্জাৱ কিংছে ১৩ অভাৰত ৩টা উইকেট হেৰুৱাই ১৭৭ ৰান সংগ্ৰহ কৰিছে।

জয়পুৰৰ ছাৱাই মানসিং ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত ৰাজস্থান ৰয়েলছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ